জাতিৰ আৱেগ  সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com  e-paper : www.dainikjanambhumi.co.in  Dainik Janambhumi

...াতিতম বছৰ, সংখ্যা ১৪১ ● সোমবাৰ ● ১৪ মাঘ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Monday January 29, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ...



### একেদিনাই ১২খন মূল্যৱান গ্ৰন্থ উন্মোচন

## অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় অধিৱেশন



### বক্তৃতানুষ্ঠান, প্ৰতিনিধি সভা

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৮ জানুৱাৰী ঃ মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮-সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচী বিশাল সাংস্কৃতিক শোভাযাত্ৰাৰে শুভাৰম্ভ হয়। অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ কলেজসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা এই বাৰেৰহণীয়া

১১ পিঠিলৈ

### মহোৎসৱৰ

কোকৰাঝাৰ ঃ নিজা বাতৰি দিওঁতা, ২৮ জানুৱাৰী ঃ দেশ-বিদেশৰ কবি, লেখক আৰু সাহিত্যিকৰ সমাৱেশেৰে এক উদুলি-মুদুলি পৰিৱেশত আৰম্ভ হোৱা তৃতীয় কোকৰাঝাৰ সাহিত্য মহোৎসৱৰ আজি দ্বিতীয় দিনা কবি-সাহিত্যিকৰ গুণগুণনিয়ে জীপাল কৰি তোলে সমগ্ৰ কোকৰাঝাৰক। গৌৰাং নৈৰ দাঁতিৰ বডোফা সাংস্কৃতিক প্ৰকল্পৰ চৌহদত দিনা জাপানৰ

১১ পিঠিলৈ

জাতিৰ আৱেগ . সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ১৪১ ● সোমবাৰ ● ১৪ মাঘ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Monday January 29, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰ

Estd-1945

## অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় অধিৱেশন

সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে বিশিষ্ট শিল্পী, সংগীত ৰত্ন ৰাজেন গোহাঁয়ে। পুৱা ৮ বজাত প্ৰতিনিধিৰ পঞ্জীয়নেৰে আৰম্ভ হোৱা দ্বিতীয় দিনাৰ কাৰ্যসূচীত অসম কলেজ শিক্ষক সংস্থাৰ মূল পতাকা উত্তোলন কৰে অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে। মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৭৫খন পতাকাৰ লগতে ডিব্ৰুগড় মণ্ডলৰ কলেজসমূহৰ ১৪খন পতাকা উত্তোলন কৰা হয়। পুৱা ৯-৩০ বজাত অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই স্মৃতি তৰ্পণ কৰা অনুষ্ঠানটোত পুৱা ১০-৩০ বজাত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে বিশিষ্ট শিক্ষাবিদ ড° ভীমকান্ত বৰুৱাই। অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ আতিথ্যত কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত এই অধিৱেশনৰ আজিৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী ক্ৰমে দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত অসম কলেজ শিক্ষক সংস্থাৰ দ্বাৰা প্ৰকাশিত সৰ্বমুঠ ১২খন গ্ৰন্থ, সংস্থাৰ বাৰ্ষিক আলোচনী, ডিব্ৰুগড় মণ্ডলৰ অন্তৰ্গত শিক্ষক গোট তথা সদস্যসকলৰ গ্ৰন্থ, মণ্ডলৰ অধীনৰ কলেজসমূহৰ ইতিহাস সম্বলিত গ্ৰন্থকে ধৰি অভ্যৰ্থনা সমিতিৰ স্মৃতিগ্ৰন্থ 'সৌমাৰ সৌৰভ' উন্মোচন কৰাৰ লগতে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক নিউজ বুলেটিন আৰু মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ জীৱনপঞ্জী সংকলিত 'জীৱন কুঞ্জ' শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰা হয়। গ্ৰন্থসমূহ উন্মোচন কৰে ক্ৰমে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা, বীৰাংগনা সতী সাধিনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰ, অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ড° জ্যোতিকমল হাজৰিকা, ডি এইচ এছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডি এইচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অসম মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতীয়ে। দিনৰ ২ বজাৰ পৰা 'নতুন পেঞ্চন আঁচনি আৰু শিক্ষক-কৰ্মচাৰীসকলৰ ভৱিষ্যৎ' শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটোত বক্তৃতা প্ৰদান কৰে ক্ৰমে ৰাষ্ট্ৰীয় পুৰণি পেঞ্চন আঁচনি বাহালকৰণ ঐক্য মঞ্চৰ ৰাষ্ট্ৰীয় সভাপতি বি পি সিং ৰাৱত, ৰাষ্ট্ৰীয় সমিতি, পুৰণি পেঞ্চন আঁচনি বাহালকৰণ সংগ্ৰাম সমিতিৰ সভাপতি বিজয় কুমাৰ বন্ধু, সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মা, সদৌ অসম পুথিভঁৰালী সন্থাৰ সাধাৰণ সম্পাদক জ্ঞানদ্বীপ শইকীয়াই। সন্ধিয়া প্ৰতিনিধি সভা উদ্বোধন কৰে বিশিষ্ট শিক্ষাবিদ ড° ভীমকান্ত বৰুৱাই।